লৌহিত্য সাহিত্য সেতু : সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত অৰ্ধবাৰ্ষিক দ্বিভাষিক ই-আলোচনী
বৰ্ষ : ১, সংখ্যা : ১, জুলাই-ডিচেম্বৰ, ২০২০

# তাৰো চিঙিকৰ কবিতা

ড° দেৱহৰি তালুকদাৰ

## ১
### মোৰ মায়ে জানে

মোৰ মা
শব্দৰ সন্মুখত অন্ধ হৈ যায়
কিন্তু সেই ক'লা আখৰবোৰৰ মাজত লুকাই থকা
ভৱিষ্যতৰ উজ্জ্বলতাখিনিৰ বিষয়ে
মোৰ মায়ে জানে ।

মোৰ মা
বিধৱাৰ সেই শাৰীবোৰৰ মাজৰ এজনী
যাৰ বাবে সমগ্ৰ পৃথিৱী
বাধাহীন স্বাধীন কলিয়াপানীৰ দৰে
কিন্তু নিজস্ব পথেৰে আগবাঢ়ি যাবলৈ
মোৰ মায়ে জানে ।

মোৰ মা
শিশুৰ সামান্য আঘাতত আহত হৈ পৰে
কিন্তু পৰম্পৰাৰ প্ৰতিখন ৰণভূমিত
অস্ত্ৰ-শস্ত্ৰৰ খেতি কৰিবলৈ
মোৰ মায়ে জানে ।

মোৰ মা
ফুল হৈয়ো শিল হৈ পৰিছে এতিয়া ।
তেওঁৰ কোমলতাই যাৱজ্জীৱন কাৰাদণ্ড পাইছে
কিন্তু ফুল আৰু শিলৰ মাজত লিখিত ইতিহাস
মোৰ মায়ে জানে ।

মোৰ মা
এখনি চিলাৰ দৰে, যাৰ ৰচিডাল চিঙি গৈছে
কিন্তু মাৰ পৰা দেউতাক হ'বলৈ
মোৰ মায়ে জানে ।

মোৰ মা
সভ্যতাৰ চৰমোৎকৰ্ষৰ যুগত থাকিও
কিতাপৰ জগতখনৰ লগত তেনেই অচিনাকী
কিন্তু, জীৱন কেনেকৈ পঢ়িব লাগে
মোৰ মায়ে জানে ।

## ২
### চহৰৰ পশু

সিহঁতে বিচৰণ কৰে
গগণচুম্বী অট্টালিকাৰ
গভীৰ অৰণ্যত
সিহঁতে টোপনি মাৰে
বিয়াগোম কাৰখানাবোৰৰ পৰা ওলোৱা
ক'লা মেঘৰ

ডাঠ চাদৰৰ তলত,
সিহঁতে চৰে
দুখীয়াৰ তেজ আৰু ঘামৰ খেতি পথাৰত
আৰু মিথ্যাচাৰ, বিশ্বাসঘাটকতা আৰু প্ৰদৰ্শনৰ
বোকাত
সিহঁতে লুকাই থাকে ।
বিদ্বেষ, ঘৃণা আৰু প্ৰতিস্পৰ্ধাৰ
কৃত্ৰিম বাতাৱৰণত
সিহঁতে উশাহ লয়

আৰু সাপ আৰু বৃশ্চিকৰ জীৱন-শৈলীত
সিহঁতে জীয়াই থাকে ।
সিহঁতৰ শত্ৰু এটাই
পোহৰলৈ বৰ ভয় সিহঁতৰ ।
দিনত শুৱে
ৰাতি সাৰে থাকে সিহঁতে ।
হয় ! সিহঁত নিশাচৰ ।
ধন আৰু সম্পত্তিৰ
চোকা দাঁত আৰু শক্তিশালী হাতোৰাৰে
চিকাৰৰ জীৱন-লীলা চোবাই খোৱাত
বৰ পাকৈত
চহৰৰ পশুবিলাক ।

### ৩
### আহত মাটি

ভিজা মাটিৰ তৰল প্ৰৱাহত
সমাধিস্থ হ'ল যি অনিশ্চিত কালত
নিজৰেই অশ্ৰুধাৰাত সিক্ত হৈ পৰিল মন
আপোনজনক কালৰ সোঁতত হেৰুৱাই
আৰে, তুমি এইকণ দুখতেই কান্দিছানে ?
তোমাক শুষ্ক সংবেদনা জনাই দেৱৰাজেও কান্দি
উঠিছে
কম বোজা কঢ়িয়াই লৈ ফুৰিছিলনে বুকুত !
সহি আহিছে তোমাৰ কটু ব্যৱহাৰ যুগ-যুগ ধৰি

মাতৃৰ মমতা তুমি নুবুজিলা
সদায় মোৰ সংকট হৈয়ে থাকিলা
সেউজ সুন্দৰ বস্তি এক ক্ষণত উচন কৰি
ইটা-শিল বালিৰ কৃত্ৰিম চহৰ সাজিলা

চাই লোৱা মোৰ বিভৎস স্বৰূপ
তুমি মোক দিলা কি ৰূপ
সেইজীয়া ৰঙৰ বস্ত্ৰ হৰি মোৰ
মোক ফালি-চিৰি নিশেষ কৰিলা

কেঁচা আঘাত দেখিবলৈ পাইছোঁ
এটাৰ পিছত আনটো আঘাত সহিছা
শৃংগ, পৰ্বত, এঢলীয়া বা সমতল ভূমি
কোনো অঞ্চল নেৰিলা তুমি

দেখিলোঁ তোমাৰ ভক্তি
মোৰ আৰু নাই শক্তি
দহি মৰোঁ মই ভিতৰি-ভিতৰি
নোৱাৰোঁ সহিব মই আকাশৰ পানী

হে মোৰ সন্তানসকল ! শুনা মোৰ আকুল আহ্বান
ভিজা বতৰৰ ভিজা মাটিত মিলি
মোৰ সৈতে একাকাৰ হোৱা সকলৰ বাবে দায়ী
তুমি, তুমি কেৱল তুমি ।

**যোগাযোগৰ ঠিকনা :**

তাৰো চিণ্ডিক
সহকাৰী অধ্যাপক
হিন্দী বিভাগ, ডেৰা নাতুঙ মহাবিদ্যালয়
ইটানগৰ, অৰুণাচল প্ৰদেশ

ড° দেৱহৰি তালুকদাৰ
উপ পৰীক্ষা নিয়ন্ত্ৰক
গুৱাহাটী বিশ্ববিদ্যালয়
গুৱাহাটী, অসম